# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উৰিয়াম ঘাটৰ উচ্ছেদ হ'বলগীয়া স্থানসমূহ পৰিদৰ্শন।

২। মুখ্যমন্ত্ৰীৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা।

৩। মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা সাতখন নতুন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলৰ আজি শপত গ্ৰহণ।

৪। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা। ***আৰু***

৫। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ইংলেণ্ডৰ প্ৰথম ইনিংছত শক্তিশালী স্থিতি।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়াম ঘাটৰ মধুপুৰ অঞ্চলত উচ্ছেদ হ'বলগীয়া ঠাইসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হোৱাৰ বিষয়টোত মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উৰিয়ামঘাট অঞ্চলত সন্দেহযুক্ত নাগৰিকৰ একোটাকৈ পৰিয়ালে ২০০ৰ পৰা ৪০০ বিঘা মাটি দখল কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে কাছাৰ, শ্ৰীভূমি, ধুবুৰী, বৰপেটা, হোজাই, নগাঁও, মৰিগাঁৱৰ উপৰি বিহাৰৰ পৰাও বিভিন্ন লোকে আহি উৰিয়ামঘাটত বসতি কৰিছে। ড০ শৰ্মাই বিদ্যাপুৰ অঞ্চলৰ দুই নম্বৰ মধুপুৰ গাঁৱত দখলকাৰীয়ে ৰোপণ কৰা বৃহৎ তামোলবাৰীও পৰিদৰ্শন কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা উৰিয়ামঘাটত উচ্ছেদ চলোৱা হ'ব। উচ্ছেদৰ পাছত এই ভূমিৰ সদ্ব্যৱহাৰৰ বাবে চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই সমষ্টিটোত পদপথ উৰণ সেতুৰ প্ৰয়োজনীয়তা আৰু যোগাযোগ সম্পৰ্কীয় সমস্যা, অসম মালা আঁচনিৰ অগ্ৰগতি, আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহত মানৱ সম্পদৰ সম্প্ৰসাৰণ, প্ৰধানমন্ত্ৰী শস্য বীমা যোজনাত হিতাধিকাৰীৰ অনুৰ্ভুক্তিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে তেওঁৰ চাৰি দিনীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া ভ্ৰমণৰ অন্তিম দিনটোত আজি মন্ত্ৰী আৰু বিধায়কসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ জিলাসমূহৰ আন্তঃগাঁথনি

উন্নয়ন আৰু জনকল্যাণমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ বাবে মন্ত্ৰী-বিধায়কসকলক জনসাধাৰণৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়।

ড০ শৰ্মাই আজি ৬৫ কোটি টকা ব্যয় সাপেক্ষে ডিব্ৰুগড়ত নিৰ্মাণ হ'বলগীয়া মন্ত্ৰীসকলৰ কাৰ্যালয়, মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়কে ধৰি সচিবালয় চৌহদ আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

০০০০

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা সাতখন নতুন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলে আজি ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শপত গ্ৰহণ কৰে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়সমূহৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই নৱনিযুক্ত উপাচাৰ্যসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মহাদেৱ পাটগিৰীয়ে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, গণেশ চন্দ্ৰ ৱাৰিয়ে কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, নিৰঞ্জন ৰয়ে গুৰুচৰণ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, জ্যোতি প্ৰসাদ শইকীয়াই জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ড০ হিতেশ ডেকাই নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, মুকুল বৰাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু তৰণী চন্দ্ৰ ডেকাই বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্য চৰকাৰে যোৱা ১৪ জুলাইত নতুনকৈ উন্নীত হোৱা বিশ্ববিদ্যালয়সমূহত উপাচাৰ্য নিযুক্তিৰ কথা ঘোষণা কৰিছিল।

০০০০

বিশিষ্ট ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত অহা এক আগষ্টত ধেমাজিৰ গোগামুখত টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। স্মৃতি ন্যাসৰ অধ্যক্ষ তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এটা প্ৰেছ বিবৃতি যোগে এই অনুষ্ঠানৰ কথা প্ৰকাশ কৰাৰ লগতে টাবুৰাম টাইড স্মৃতি ন্যাসৰ সৌজন্যত প্ৰদান কৰিবলগীয়া ২০২৫ বৰ্ষৰ সাহিত্য বঁটাসমূহ ঘোষণা কৰে। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা আগবঢ়োৱা হৈছে। মিচিং ভাষাৰ বিশিষ্ট লেখক ডাঃ বিদ্যেশ্বৰ দললৈ টাবুৰাম টাইড মিচিং সাহিত্য বঁটা আগবঢ়োৱা হৈছে। একেদৰে জনগোষ্ঠীয় পটভূমিত ৰচনা কৰা **লাঙাদেউ** নামৰ গ্ৰন্থখনৰ বাবে পংকজ কুমাৰ দত্তলৈ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা আগবঢ়োৱা হৈছে। তদুপৰি পৰৱৰ্তী সময়ত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটা আৰু টাবুৰাম টাইড ফেল'শ্বিপ প্ৰদান কৰা হ'ব বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ - বিটিচিৰ বিধানসভা অধিবেশনৰ দিন আনুষ্ঠানিকভাৱে জাৰি কৰিছে। ৰাজভৱনে জাৰি কৰা জাননী অনুসৰি অহা ৩১ জুলাইত পুৱা দহ বজাত অধিবেশন অনুষ্ঠিত হ'ব। কোকৰাঝাৰৰ বড়োফা নগৰত অৱস্থিত পৰিষদৰ এছেম্বলি হাউচত এই অধিবেশন অনুষ্ঠিত হ'ব।

০০০০

তামুলপুৰ জিলাত আজি আন্তৰ্জাতিক সমবায় বৰ্ষৰ লগত সংগতি ৰাখি সমবায় বিভাগ আৰু জিলা প্ৰশাসনৰ উদ্যোগত কছুবাৰীত এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাপ্ৰভূ শ্ৰীশ্ৰীগোপাল আৰু জগন্নাথ ধাম সত্ৰৰ সভাগৃহত আয়োজিত এই অনুষ্ঠানত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই ধৰণৰ সজাগতা সভাই তামুলপুৰৰ সমবায় খণ্ডক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। বিশেষকৈ ভাৰত-ভূটান সীমান্তৱৰ্তী এই জিলাখনত আন্তৰ্জাতিক ব্যৱসায় বাণিজ্যৰ যি সম্ভাৱনা আছে সমবায় সমূহে তাক অধিক শক্তিশালী কৰি তুলিব বুলি তেওঁ মন্তব্য কৰে। এই সভাত পদ্মশ্ৰী সন্মানেৰে সন্মানিত সৰ্বেশ্বৰ বসুমতাৰী, বিধায়ক জলেন দৈমাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাস, আৰু পাৰিষদ হেমন্ত কুমাৰ ৰাভা উপস্থিত থাকে।

০০০০

বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰৰ কেন্দ্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে। ৩০ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত অধ্যাপক দেৱেন্দ্ৰ জালিহালকে ধৰি কেন্দ্ৰীয় প্ৰতিষ্ঠানটোৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত সঞ্চালক, শীৰ্ষ বিষয়া আৰু অন্যান্য অধ্যাপকসকল উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰী বড়োৱে ভৱিষ্যৎ প্ৰজন্মৰ বাবে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ শিক্ষা আৰু আদৰ্শক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয়, যে এই প্ৰতিমূৰ্তিটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে ই ছাত্ৰ-ছাত্ৰী আৰু দৰ্শনাৰ্থীৰ বাবে অনুপ্ৰেৰণাৰ চিহ্ন হিচাপে বিবেচিত হ'ব।

০০০০

ৰাজ্যিক বিজেপিৰ কেইবাখনো মৰ্চাৰ নতুন সভাপতি নিযুক্তি দিয়া হৈছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি নীলিমা দেৱীক মহিলা মৰ্চা, ৰাকেশ দাসক যুৱ মৰ্চা, সুভাষ দত্তক অ' বি চি মৰ্চা, নৱাৰুণ মেধিক অনুসূচীত জাতি মৰ্চা, হৰেন সিং বে'ক অনুসূচীত জনজাতি মৰ্চা, পংকজ বৰবৰাক কিষাণ মৰ্চা, শান্তিউছ কুজুৰক সংখ্যালঘু মৰ্চা আৰু দুলেন নায়কক দলৰ চাহ সম্প্ৰদায় মৰ্চাৰ ৰাজ্যিক সভাপতি হিচাপে নিযুক্তি দিয়া বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ **প্ৰত্যাশা** শীৰ্ষক পদক্ষেপৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা মুঠ ৪০ গৰাকী পৰীক্ষাৰ্থীক নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ ভিতৰত অসমৰ পৰা ২৬ গৰাকী পৰীক্ষাৰ্থী বাচি উলিওৱা হ'ব। দিল্লীৰ বচা বচা প্ৰতিষ্ঠানত তেওঁলোকক এই পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে কাইলৈৰ পৰা ৪ আগষ্টলৈ www.aasu.org.in ৱেবছাইটৰ যোগে আবেদন কৰিব পাৰিব। অহা ১০ আগষ্টত গুৱাহাটীৰ ৰয়েল গ্লʼবেল বিশ্ববিদ্যালয়ত বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। বাছনি পৰীক্ষাত উত্তীৰ্ণসকলে মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। পৰীক্ষাৰ্থীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰস্তুতিৰ ব্যৱস্থা কৰাৰ উপৰি তেওঁলোকক মাহিলী জলপানিও প্ৰদান কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত ‘গ্ৰীষ্মকালীন শিবিৰ’ সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

০০০০

বিশিষ্ট সংগীত পৰিচালক তথা কণ্ঠশিল্পী জে পি দাসৰ ৭৯ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি আজি শিল্পীগৰাকীৰ কণ্ঠৰ এটা দৃশ্য শ্ৰাব্য গীত উন্মোচন কৰা হয়। গুৱাহাটী প্ৰেছ ক্লাবত এই উপলক্ষে আয়োজিত **স্মৃতিৰে ৰঙীন এই আবেলি** শীৰ্ষক অনুষ্ঠানত অনুৰাগীসকলে তেওঁক অভিনন্দন জনায়।

০০০০

ডিব্ৰুগড়ৰ বানীপুৰত অৱস্থিত পুবেৰুণ সংগীত একাডেমীৰ উদ্যোগত অনুষ্ঠিত বৰগীত কৰ্মশালাৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে মহাপুৰুষ দুজনাৰ বিৰচিত বৰগীত পৰিবেশন কৰে। কৰ্মশালাত বৰগীতৰ সাধক, শিল্পী খনা দাসে জিলাখনৰ অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীক বৰগীতৰ প্ৰশিক্ষণ দিয়ে।

০০০০

সদৌ অসম প্ৰথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ উদ্যোগত আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত অনুষ্ঠিত কৃতি শিক্ষাৰ্থীৰ সম্বৰ্ধনা অনুষ্ঠানত কেইবাগৰাকীও মেধাৰী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষকসকলক অভিনন্দন জনোৱা হয়। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ শান্তিকাম হাজৰিকা, সাংবাদিক অদীপ কুমাৰ ফুকন আৰু সংগীত পৰিচালক তথা প্ৰযোজক বিমান বৰুৱা উপস্থিত থাকে।

০০০০

মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত এইবেলি হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক আজি অভিনন্দন জনোৱা হয়। মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত এই বিশেষ অভিনন্দন অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই এলাহ জয় কৰি সময়ৰ কাম সময়তহে কৰিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। মুখ্য অতিথি হিচাপে উপস্থিত থকা মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে শিক্ষাৰ্থীসকলক প্ৰতিযোগিতামূলক পৃথিৱীত আৰম্ভণিৰ পৰাই প্ৰস্তুতি চলোৱাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানতে মেধাৰী শিক্ষাৰ্থীসকলক বঁটা প্ৰদানৰ লগতে আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলক আৰ্থিক সাহায্য প্ৰদান কৰে।

০০০০

কামৰূপ জিলাৰ সদৰ আমিনগাঁৱত আজি ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনীৰ উদ্যোগত সজাগতা শিবিৰৰ আয়োজন কৰা হয়। ঘৰত সহজতে পোৱা সামগ্ৰীৰে দুৰ্যোগৰ সময়ত কিদৰে বিপদত পৰা লোকক উদ্ধাৰ কৰিব পাৰি আৰু তেওঁলোকক কেনেদৰে প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব পাৰি সেই বিষয়ত জনসাধাৰণক বিশদভাৱ

অৱগত কৰোৱা হয়। এই সজাগতা সভাত অঞ্চলটোৰ সজাতিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। সভাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ বিষয়া ৰাজীৱ দত্ত চৌধুৰী, উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া ভাস্কৰ কলিতাৰ উপৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ভালে কেইগৰাকী বিষয়া উপস্থিত থাকে।

০০০০

নলবাৰী জিলাত খেতিয়কসকলে বৰষুণৰ অভাৱত শালী ধানৰ  খেতি কৰাত অসুবিধাৰ সন্মুখীন হৈছে। ভাৰতীয় বতৰ  বিজ্ঞান কেন্দ্ৰৰ তথ্য মতে এইবাৰ জিলাখনত বৰষুণৰ পৰিমাণ যথেষ্ট কমিছে। যোৱা ১ জুনৰ পৰা ১৮ জুলাই পৰ্যন্ত জিলাখনত স্বাভাৱিক পৰিমাণতকৈ ৭৬ শতাংশ বৰষুণ কমিছে। চৰকাৰী তথ্য মতে খৰাং সদৃশ অৱস্থাৰ বাবে জিলাখনৰ ৪৪৮ খন গাঁও ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত এই পৰ্যন্ত দ' অঞ্চলসমূহৰ ২৬ হাজাৰ ১১৩ হেক্টৰ কৃষি ভূমিতহে শালী খেতি আৰম্ভ কৰিব পৰা গৈছে। ইয়াৰে এঘাৰ হেজাৰ ৯৮৯ হেক্টৰ ৰোপণ কৰা শস্যভূমি খৰাঙৰ বাবে নষ্ট হৈছে। জিলা কৃষি বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা মতে, শাওন মাহৰ প্ৰায় আধা দিন যোৱাৰ পিছতো জিলাখনৰ আধা অংশ মাটিতো কৃষকে শালী ধান ৰোপণ কৰিব পৰা নাই। যাৰ ফলত জিলাখনৰ হাজাৰ হাজৰ বিঘা মাটি এতিয়াও চন পৰি আছে।

বৰষুণৰ পৰিমাণ কম হোৱা বাবে জিলাখনৰ পুখুৰীসমূহ শুকাই  অহাৰ ফলত মৎস পালকসকলো মাছ উৎপাদনৰ ক্ষেত্ৰত বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে বুলি আমাৰ নলবাৰীৰ সংবাদদাতাই জনাইছে।

০০০০

এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ইংলেণ্ডে আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰি নিজৰ প্ৰথম ইনিংছত শক্তিশালী স্থিতিত উপনীত হৈছে। কালি প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২২৫ ৰাণৰ পৰা ইংলেণ্ডে আজিৰ খেল আৰম্ভ কৰি অ'লি প'প আৰু জ' ৰুটৰ আকৰ্ষণীয় বেটিঙেৰে ভোজন বিৰতিৰ পৰলৈকে নতুনকৈ কোনো উইকেট নেহেৰুৱাকৈ ৩৩২ ৰাণ সংগ্ৰহ কৰে। সেই সময়ত অ'লি প'প ৭০ আৰু জ' ৰুট ৬৩ ৰাণত অপৰাজিত হৈ আছিল।

ভোজন বিৰতিৰ পাছত খেল আৰম্ভ কৰি ইংলেণ্ডে কম সময়ৰ ব্যৱধানতে অলি প'প আৰু হেৰী ব্ৰুকৰ উইকেট হেৰুৱায়। ৱাছিনটন সুন্দৰে এই দুয়োটা উইকেট দখল কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে প্ৰথম ইনিংছত ৪ উইকেটৰ বিনিময়ত ৩৫৯ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে ভাৰতে কালি ৩৫৮ ৰাণত প্ৰথম ইনিংছ সামৰে।

০০০০

সমাপ্ত